**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। পশ্চিম এছিয়া পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইৰানৰ ৰাষ্ট্ৰপতি ড০ মাছুদ পেজেস্কিয়ানৰ সৈতে মত বিনিময় কৰে।

২। চৰকাৰে অত্যাৰশ্যকীয় ইন্ধনজাত সামগ্ৰীৰ সীমা শুল্কৰ ওপৰত ৰেহাই অহা ১৫ জুলাইলৈ বৃদ্ধি কৰিছে।

৩। ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই ধাৰাসাৰ বৰষুণৰ বাবে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

৪। অমৰনাথ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰ প্ৰশাসনে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহন চলাচলত নীতি-নিৰ্দেশনা জাৰি কৰিছে। *আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ এখন খেলত ফ্ৰান্সে ছুইডেনক ৩-০ গ'লত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ইৰানৰ ৰাষ্ট্ৰপতি ড০ মাছুদ পেজেস্কিয়ানৰ সৈতে টেলিফোনযোগে মত বিনিময় কৰে। এই মত বিনিময় কালত ইৰানৰ ৰাষ্ট্ৰপতিগৰাকীয়ে পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত শ্ৰীমোদীক অৱগত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে অঞ্চলটোৰ পৰিস্থিতি প্ৰশমনৰ বাবে শেহতীয়াকৈ বুজাবুজিত উপনীত হোৱাৰ সিদ্ধান্তক আদৰণি জনায় আৰু ভাৰতে সদায়ে আলোচনা আৰু কূটনৈতিক বুজাবুজিৰ মাধ্যমেৰে সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰি আহিছে বুলি দোহাৰে। শ্ৰীমোদীয়ে অঞ্চলটোত শান্তি আৰু সুস্থিৰতা দীৰ্ঘস্থায়ী কৰাৰ লগতে বাণিজ্য আৰু নাৱিকসকলৰ সুৰক্ষাৰ্থে এই ক্ষেত্ৰত অবিৰত প্ৰচেষ্টা গ্ৰহণৰ প্ৰয়োজন বুলি উল্লেখ কৰে। ইৰানৰ ৰাষ্ট্ৰপতি পেজেস্কিয়ানে শান্তি, সুস্থিৰতা আৰু আঞ্চলিক সহযোগিতাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ ভূমিকাক প্ৰশংসা কৰে। ইৰানত থকা ভাৰতীয় দূতাবাসৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি পেজেস্কিয়ানে ভাৰতে ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ শক্তি মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত কৰাৰো শলাগ লৈছে। ইয়াৰ জৰিয়তে ভাৰত আৰু ইৰানৰ বহুপাক্ষিক সহযোগিতাত পৰিকাঠামো অধিক শক্তিশালী হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে।

০০০০০

পশ্চিম এছিয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চৰকাৰে অত্যাৰশ্যকীয় ইন্ধনজাত সামগ্ৰীৰ সীমা শুল্কৰ ওপৰত ৰেহাই অহা ১৫ জুলাইলৈ বৃদ্ধি কৰিছে। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ আগেয়ে বিশ্বজুৰি ইন্ধনৰ যোগান শৃংখলাৰ ক্ষেত্ৰত দেখা দিয়া অভাৱনীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কালি পৰ্যন্ত সীমা শুল্ক ৰেহাই দিয়াৰ কথা ঘোষণা কৰিছিল। ভাৰতীয় পেট্ৰ'লিয়াম কোম্পানীসমূহক ৰন্ধন গেছ উৎপাদনত গুৰুত্ব আৰোপ

কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰিপ্ৰেক্ষিতত ঘৰুৱা বজাৰত অত্যাৱশ্যকীয় ইন্ধনৰ পৰ্যাপ্ততা নিশ্চিত কৰিবলৈ এই ৰেহাই দিয়া হৈছে।

০০০০০

উত্তৰ-পূব উন্নয়ন দপ্তৰ অৰ্থাৎ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই ধাৰাসাৰ বৰষুণৰ বাবে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সামাজিক মাধ্যমযোগে মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ অঞ্চলসমূহৰ পৰিস্থিতি, উদ্ধাৰ আৰু সাহায্য অভিযান তথা পুনৰ সংস্থাপনৰ বিষয়ে বুজ লৈছে। জনসাধাৰণৰ জীৱন সুৰক্ষিত কৰাৰ লগতে যথাসম্ভৱ শীঘ্ৰেই ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে সকলো প্ৰকাৰে সহায় আগবঢ়াব বুলি শ্ৰীসিন্দিয়াই প্ৰকাশ কৰে। তেওঁ লগতে ক্ষতিগ্ৰস্তসকলৰ সুৰক্ষা আৰু কল্যাণ কামনা কৰি শীঘ্ৰেই এই পৰিস্থিতিৰ অৱসান ঘটিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমছিং তামাং আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী যুমনাম খেমচান্দ সিঙৰ সৈতেও আলোচনা কৰে।

০০০০০

অমৰনাথ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰ প্ৰশাসনে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। এইবাৰ ৫৫ হাজাৰ তীৰ্থযাত্ৰীক অমৰনাথ যাত্ৰাৰ সুবিধা দিয়া হ'ব। কাইলৈ যাত্ৰীৰ প্ৰথমটো দলে ভগৱতী নগৰ বেছ কেম্পৰ পৰা যাত্ৰা আৰম্ভ কৰিব। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল তথা অমৰনাথ দেৱোত্তৰ ব'ৰ্ডৰ অধ্যক্ষ মনোজ সিনহাই তীৰ্থযাত্ৰীৰ প্ৰথমটো দলৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰিব। ৫৭ দিন ধৰি চলিবলগীয়া এই যাত্ৰা অহা ৩ জুলাইত পৰম্পৰাগতভাৱে অনন্তনাগ জিলাৰ নুনৱান পেহেলগাম পথেৰে আৰু গন্দৰবল জিলাৰ চমু বালতাল পথেৰে আৰম্ভ হ'ব। যাত্ৰীসকলৰ থকা-খোৱা, অনাময়, স্বাস্থ্যসেৱা, পৰিবহণকে ধৰি সকলো দিশতে দৃষ্টি কৰা হৈছে। তীৰ্থযাত্ৰীসকলে ৪৪ নম্বৰ জম্মু-কাশ্মীৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে যাত্ৰা কৰিব লাগিব। বিকল্প পথ যেনে মোগল ৰোড আৰু ধাৰ ৰোডেৰে যাত্ৰাৰ সুবিধা দিয়া নহ'ব। পুৱা ৬ বজাৰ পৰা ৮ বজাৰ ভিতৰত লখনপুৰত উপস্থিত হোৱা যাত্ৰীসকলক সুৰক্ষাৰ সৈতে জম্মুলৈ আগবঢ়াই নিয়া হ'ব। আনহাতে পলমকৈ উপস্থিত হোৱা লোকসকলে নিৰাপত্তাজনিত নীতি-নিৰ্দেশনা মানি অপেক্ষা কৰিব লাগিব। প্ৰশাসনে লখনপুৰৰ পৰা বাণীহাললৈ পথছোৱাত ভালেসংখ্যক অস্থায়ী নিবাসৰ ব্যৱস্থা কৰিছে। যাত্ৰীৰ সুবিধা হোৱাকৈ সমগ্ৰ পথছোৱাত প্ৰায় দুহেজাৰ এশটা প্ৰস্ৰাৱগাৰ নিৰ্মাণ কৰা হৈছে।

০০০০০০

চলিত বছৰৰ অমৰনাথ যাত্ৰা উপলক্ষে জম্মু-কাশ্মীৰ যান-বাহন আৰক্ষীয়ে ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত নতুন নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি কাজিগণ্ডৰ পৰা জম্মু আৰু উধমপুৰ তথা শ্ৰীনগৰলৈ সন্ধিয়া ৭ বজাৰ পাছত গধূৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰা হ'ব। অৱশ্যে নিশা ১১ বজালৈকে লঘু যান-বাহন চলাচলৰ অনুমতি দিয়া হৈছে। ২ জুলাইত প্ৰথমটো তীৰ্থযাত্ৰীৰ দল পাৰ হৈ যোৱাৰ পাছত উজনিমুখী লঘু যান-বাহনসমূহ নাগৰোটাৰ পৰা উদমপুৰলৈ চলাচলৰ অনুমতি দিয়া হ'ব। একেদৰে বালতালৰ পথেৰে যাত্ৰীৰ দলটো পাৰ হোৱাৰ পাছত নামনিমুখী লঘু যান-বাহন আৰু যাত্ৰীবাহী বাহনসমূহ কাজিগণ্ডৰ পৰা জম্মুলৈ চলাচলৰ অনুমতি দিয়া হ'ব।

০০০০০

যোড়শ ভাৰত জাপান বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে আজি জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই সন্মিলনত ভাৰত আৰু জাপানৰ দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত মত-বিনিময় কৰা হ'ব। ভাৰত ভ্ৰমণৰ দ্বিতীয় দিনা টাকাইচিক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিক সম্বৰ্ধনা জনোৱা হ'ব। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব। নেতা দুগৰাকীয়ে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ লগতে সহযোগিতা অধিক সুদৃঢ় কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ভাৰত আৰু জাপানৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰীয়ে এই আলোচনাৰ পাছতে নতুন দিল্লীত ভাৰত-জাপান বাণিজ্যিক মঞ্চত অংশগ্ৰহণ কৰিব। জাপানৰ প্ৰধানমন্ত্ৰী টাকাইচিৰ এয়া হ'ব প্ৰথমটো আনুষ্ঠানিক ভাৰত ভ্ৰমণ।

ooooo

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কালি নতুন দিল্লীত অনুষ্ঠিত কৰ্মচাৰী বীমা নিগম— ই এছ আই চিৰ ১৯৮ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত ই এছ আই চিৰ স্বাস্থ্যসেৱা আন্তঃগাঁথনি শক্তিশালী কৰা, চিকিৎসা সেৱাৰ সম্প্ৰসাৰণ, সাংগঠনিক দক্ষতা বৃদ্ধি আৰু সেৱা প্ৰদান উন্নত কৰাৰ বাবে কেইবাটাও বিষয়ত আলোচনা কৰা হয়। এই বৈঠকত বীমাকৃত ব্যক্তিৰ বাবে অটল বিমিট ব্যক্তি কল্যাণ যোজনা নিবনুৱা ভাট্টা আঁচনিৰ ম্যাদ অহা বছৰৰ ৩০ জুনলৈ বৃদ্ধি কৰাৰ বিষয়ে প্ৰকাশ কৰা হয়। নতুন ই এছ আই চিকিৎসালয়সমূহ এতিয়াৰে পৰা কৰ্মচাৰী ৰাজ্যিক বীমা নিগমৰ দ্বাৰা পৰিচালিত হ'ব বুলি বৈঠকত প্ৰকাশ কৰা হয়। কালি এই কাৰ্যসূচীতে ই এছ আই চি আৰু আয়ুষ মন্ত্ৰালয়ৰ মাজত বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হয়। ইয়াৰ দ্বাৰা ই এছ আই চিৰ স্বাস্থ্যসেৱাত আয়ুষৰ সা-সুবিধাসমূহ উপলব্ধ কৰোৱাৰ ব্যৱস্থা কৰাৰ লগতে ইয়াৰ সামৰ্থ বৃদ্ধিৰো লক্ষ্য লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ূষ গোৱেলে গ্ৰীচৰ অৰ্থনীতি আৰু বিত্তমন্ত্ৰী কিৰিয়াক'চ পিয়াৰেকাকিচৰ সৈতে ভাৰত আৰু গ্ৰীচৰ অৰ্থনৈতিক বান্ধোন শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনা কৰে। শ্ৰীগোৱেলে দুয়োখন দেশৰ বিত্তীয় সেৱা, ডিজিটেল লেনদেন আৰু প্ৰযুক্তি ক্ষেত্ৰত সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুয়ো পক্ষই ভাৰত আৰু গ্ৰীচৰ ব্যৱসায়ী প্ৰতিষ্ঠানসমূহৰ পাৰস্পৰিক সমৃদ্ধিৰ বাবে উপায় উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়ে। শ্ৰীগোৱেলে গ্ৰীচৰ পৰিবহণ আৰু আন্তঃগাঁথনি মন্ত্ৰী খ্ৰীষ্ট'ছ ডিমাছক সাক্ষাৎ কৰি ভাৰত আৰু গ্ৰীচৰ আন্তঃগাঁথনি আৰু পৰিবহণ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়ত আলোচনা কৰে।

ooooo

ভাৰতে আজি চেষ্টাৰ-লে-ষ্ট্ৰীটৰ ৰিভাৰছাইড ষ্টেডিয়ামত ইংলেণ্ডৰ বিৰুদ্ধে ৫খনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ প্ৰথমখন মেচ খেলিব। ভাৰতীয় সময় অনুসৰি নিশা ১০ বজাৰ পৰা খেলখন আৰম্ভ হোৱাৰ কথা। শ্ৰেয়াচ আয়াৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে শেহতীয়া শৃংখলাত আয়াৰলেণ্ডৰ হাতত ২-০ত পৰাস্ত হোৱাৰ পাছত দলটোক উদ্ধাৰৰ চেষ্টা চলাব। আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলা শৃংখলাত প্ৰথমবাৰৰ বাবে ছিনিয়ৰ ইণ্ডিয়ান টিমত অন্তৰ্ভুক্ত হোৱা বৈভৱ সূৰ্য্যবংশীয়ে আশাব্যঞ্জক প্ৰদৰ্শন কৰিব নোৱাৰাৰ বাবে ইংলেণ্ডৰ বিৰুদ্ধে খেলা শৃংখলাত

খেলুৱৈগৰাকীৰ ওপৰত সকলোৰে দৃষ্টি নিৱদ্ধ থাকিব। শৃংখলাৰ দ্বিতীয়খন টি-২০ আই শনিবাৰে মানচেষ্টাৰত অনুষ্ঠিত হ'ব। তৃতীয়খন মেচ অহা ৭ জুলাইত নটিংহামত অনুষ্ঠিত হ'ব। অহা ১১ জুলাইত সমাপ্ত হ'বলগীয়া টি-২০ শৃংখলাৰ অন্তিম দুখন মেচ ব্ৰিষ্টল আৰু চাউথমপটনত অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে ODIৰ তিনিখনীয়া শৃংখলাত ভাৰত পুনৰ ইংলেণ্ডৰ মুখামুখি হ'ব।

ooooo

ফিফা বিশ্বকাপ ফুটবলত ৩২ ৰাউণ্ডৰ এখন খেলত আজি পুৱা নিউয়ৰ্কৰ নিউ জাৰ্চি ষ্টেডিয়ামত ফ্ৰান্সে ছুইডেনক ৩-০ গ'লত পৰাস্ত কৰি ১৬ ৰাউণ্ডত প্ৰৱেশ কৰে। খেলখনত এমবাপেই দুটা গল দি এইবাৰৰ বিশ্বকাপত নিজৰ গলৰ সংখ্যা ১৮টালৈ বৃদ্ধি কৰে। খেলুৱৈগৰাকীয়ে সম্প্ৰতি এইবাৰৰ বিশ্বকাপত মিৰ'স্লাভ ক্ল'জৰ দুটা গ'ল আৰু লিয়নেল মেছিৰ পৰা মাত্ৰ এটা গ'ল পিছ পৰি আছে। খেলখনৰ ৮৬ মিনিটত আৰ্লিং হালেণ্ডৰ গ'লেৰ জড়িয়তে শীৰ্ষ ১৬ত নৰৱেৰ স্থান নিশ্চিত হয়। ইয়াৰ পাছত অহা দেওবাৰে নিশা ১৬ ৰাউণ্ডত নৰলেই ব্ৰাজিলৰ বিৰুদ্ধে খেলিব ।

৩২ ৰাউণ্ডৰ আন খেলত আজি পুৱা ০৬:৩০ বজাৰ পৰা মেক্সিকো চিটিত ইকুৱেডৰৰ বিৰুদ্ধে মেক্সিকোৰ খেল আৰম্ভ হৈছে। আনহাতে ইংলেণ্ডে আজি নিশা ভাৰতীয় সময় অনুসৰি নিশা ০৯:৩০ বজাত কংগোৰ বিৰুদ্ধে খেলিব।

উল্লেখযোগ্য যে মৰক্কো, পেৰাগুৱে, ব্ৰাজিল আৰু কানাডাই ইতিমধ্যে শীৰ্ষ ১৬ত প্ৰৱেশ কৰিছে।

ooooo

সমাপ্ত